**GOVERNMENT OF BODOLAND TERRITORIAL REGION**
Bodofa Nwgwr, Kokrajhar - the City of Peace, BTR

প্ৰেছ বিজ্ঞপ্তি

মিছন বৈছৌমুথি সপ্তাহ

১৬- ২২ ফেব্ৰুৱাৰী,২০২৪

বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য মাননীয় শ্ৰীযুত প্ৰমোদ বড়ো ডাঙৰীয়াই আজি ২০২৪ চনৰ ১৬ ফেব্ৰুৱাৰীৰ পৰা ২০২৪ চনৰ ২২ ফেব্ৰুৱাৰীলৈকে বিটিচিৰ কাৰ্যবাহী সদস্য সকলৰ উপস্থিতিত মিছন বৈছৌমুথি সজাগতা সপ্তাহৰ কাৰ্যসূচী চিৰাঙৰ উপায়ুক্ত কাৰ্যালয়ৰ কনফাৰেন্স হলত শুভাৰম্ভ কৰিছে।

মাননীয় মুখ্য কাৰ্যবাহী সদস্য আৰু কাৰ্যবাহী সদস্যসকলে মিছন বৈছৌমুথি ওপৰত ব্যৱহাৰকাৰী হাতপুথি, সকলো স্থানীয় ভাষাৰ তথ্যমূলক ভিডিঅ' আৰু সজাগতামূলক সামগ্ৰী আদিৰে গঠিত আই ই চিৰ সামগ্ৰী মুকলি কৰে।

মিছন বসুন্ধৰাৰ সৈতে সংগতি ৰাখি মিছন বৈছৌমুথি লক্ষ্য হৈছে বিটিচিৰ ১৯টা চক্ৰ কাৰ্যালয় সমূহৰ দ্বাৰা অনলাইনৰ জৰিয়তে সময় নিৰ্ধাৰিত পদ্ধতিৰে আৰু চৰকাৰে অধিসূচনা কৰা ৰাজহুৱা সেৱাৰ অধিকাৰ প্ৰদান কৰা

এই মিছনে তলত দিয়া তেৰটা (১৩) সেৱা প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰে:

১) উত্তৰাধিকাৰী সূত্ৰে নামজাৰী
২) পঞ্জীয়নকৃত দলিলৰ সূত্ৰে নামজাৰী
৩) বিবাদমুক্ত বাটোবাৰা
৪) কৃষি ভূমিৰ পৰা অকৃষিভূমিলৈ শ্ৰেণী পৰিৱৰ্তন
৫) আবন্টিত ভূমি ম্যাদী মাটিলৈ পৰিৱৰ্তন
৬) একচনীয়া মাটি ম্যাদী মাটিলৈ পৰিৱৰ্তন
৭) মাটিকালিৰ শুধৰণি
৮) দখলীশ্বত্ব নথকা পট্টাদাৰৰ পট্টাৰ পৰা নাম কতৰ্ন
৯) নাম শুধৰণি
১০) পট্টাদাৰৰ মোবাইল নম্বৰ অদ্যৰধিকৰণ
১১) প্ৰমাণিকৃত জামাবন্দীৰ প্ৰতিলিপি
১২) প্ৰমাণিকৃত চিঠাৰ প্ৰতিলিপি
১৩) মাটি থকাৰ প্ৰমাণ পত্ৰ।

বিটিচি হৈছে দেশৰ প্ৰথমটো ষষ্ঠ সূচী এলেকা যিয়ে এই ধৰণৰ মিছনৰ জৰিয়তে ভূমিৰ ৰেকৰ্ড ডিজিটেলাইজেচন আৰু  ভূমি সম্পৰ্কীয় সেৱা প্ৰদান কৰিছে

এতিয়াৰ পৰা নাগৰিকে https://bwiswmuthi.bodoland.gov.in ৰ জৰিয়তে নিজৰ ঘৰত বহি এটা চক্ৰ কাৰ্যালয়ে প্ৰদান কৰা সেৱাৰ বাবে আবেদন কৰিব পাৰিব। এই সজাগতা কাৰ্যসূচীয়ে জনসাধাৰণৰ কাষ চাপিবলৈ চেষ্টা কৰিব যাতে এই অভিযানৰ জৰিয়তে অধিক লোক উপকৃত হয়।

তদুপৰি আবেদনকাৰীসকলৰ সুবিধাৰ বাবে সকলো গাঁৱতে শিবিৰৰ আয়োজন কৰা হ'ব। প্ৰমোদ বড়োৱে উল্লেখ কৰে যে জনসাধাৰণক তেওঁলোকৰ ভূমি বিষয়ৰ ওপৰত অৱগত  কৰা হ'ব আৰু সেৱাসমূহ লাভ কৰাৰ বাবে এক নিষ্ঠাবান দলে সহায় কৰিব

নাগৰিকৰ দুৱাৰমুখত ভূমি সম্পৰ্কীয় সেৱা আগবঢ়োৱাৰ মিছনৰ উদ্দেশ্যৰ উপৰিও স্বাধীনতাৰ ৭৫ বছৰৰ পৰা জৰীপ নকৰা বিটিচিৰ বহু গাঁৱত যাৰ বাবে মানুহক ভূমিৰ অধিকাৰ আৰু ভূমি সম্পৰ্কীয় অন্যান্য মৌলিক সেৱাৰ পৰা বঞ্চিত কৰা হৈছিল, বিটিচিয়ে সেই গাঁওবোৰত ভূমিৰ ৰেকৰ্ড ডিজিটেলাইজেচনৰ বাবে আৰু ভূমি পট্টা জাৰি কৰাৰ বাবে ড্ৰ'ন উৰণ আৰম্ভ কৰিছে বুলি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য এ অৱগত কৰে।

বৰ্তমানৰ চৰকাৰখন পৰিষদত বাস কৰা সকলো সম্প্ৰদায়ৰ আকাংক্ষাৰ প্ৰতি দায়বদ্ধ। বহু বছৰৰ পৰা অঞ্চলটোক জুৰুলা কৰা মুখ্য সমস্যাসমূহ বেছিভাগেই ভূমি, নিবনুৱা সমস্যা আৰু ইয়াৰ জনসাধাৰণৰ উন্নয়নৰ সৈতে জড়িত আৰু এই চৰকাৰে সেইবোৰৰ সমাধানৰ বাবে চেষ্টা কৰিছে বুলি পৰিষদৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে কয়।

এই উপলক্ষে ভাষণ দি বিটিচিৰ প্ৰধান সচিব আই.এ.এছ আকাশ দীপে আশা প্ৰকাশ কৰে যে দীৰ্ঘদিন ধৰি বাকী থকা অঞ্চলটোৰ বহু সমস্যা সমাধানৰ ক্ষেত্ৰত এই অভিযানে বহুখিনি আগবাঢ়ি যাব। তেওঁ এই পদক্ষেপক আদৰণি জনাই কয় যে সেৱা প্ৰদানৰ প্ৰতিটো স্তৰতে লক্ষ্য নিৰ্ধাৰণ কৰা হ'ব আৰু জবাবদিহিতা নিৰ্ধাৰণ কৰা হ'ব। এই কাৰ্যসূচীত বিটিচিৰ সকলো কাৰ্যবাহী সদস্য আৰু সচি উপস্থিত থাকে।

**Rintu Ch. Boro**
Jt. Secretary, Land & Revenue Dept., BTC